Total number of printed pages – 4

**3 (Sem–4/CBCS) ASM CC**

**2025**

Jawaharlal Nehru College Library
Estd.-1964
Boko Dist. Kamrup

# ASSAMESE

(Modern Indian Language)

Paper : ASM-CC-4016

***( Adhunik Asamiya Sahitya )***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। উত্তৰ দিয়া ঃ ১×১০=১০

(ক) "Poetry: the best words in the best order" – কোনে এনেদৰে কবিতাৰ সংজ্ঞা নিৰ্ধাৰণ কৰিছিল?

(খ) 'আৱাহন' আলোচনীৰ পৃষ্ঠপোষকজনৰ নাম কি?

(গ) 'অশান্ত ইলেকট্ৰন'– ৰচনা কৰা গল্পকাৰজনৰ নাম কি?

(ঘ) অসমীয়া চুটিগল্পৰ জনক বুলি কাক কোৱা হয়?

(ঙ) কবি হীৰেন ভট্টাচাৰ্যই কোনখন কবিতাপুথিৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(চ) নির্মলপ্ৰভা বৰদলৈৰ *এখন* কবিতাপুথিৰ নাম লিখা।

(ছ) ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'বাণপ্ৰস্থ' গল্পটো তেওঁৰ কোনখন গল্প-সংকলনৰ অন্তৰ্গত?

(জ) অসমীয়া কাব্য-সাহিত্য জগতত কবি ৰাম গগৈক কি কবি বুলি জনা যায়?

(ঝ) 'মণিৰাম দেৱানৰ ফাঁচি' শীৰ্ষক প্ৰবন্ধটিৰ লেখক কোন?

(ঞ) ডিম্বেশ্বৰ নেওগৰ *এখন* কবিতাপুথিৰ নাম লিখা।

২। অতি চমুকৈ উত্তৰ দিয়া ঃ ২×৫=১০

(ক) আৰাহন যুগৰ চুটিগল্পৰ *দুটা* বৈশিষ্ট্য লিখা।

(খ) জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত *দুখন* নাটকৰ নাম লিখা।

(গ) অৰূপা পটঙ্গীয়া কলিতাৰ ইংৰাজীলৈ অনূদিত হোৱা *এখন* উপন্যাস আৰু *এখন* চুটিগল্প সংকলনৰ নাম লিখা।

(ঘ) বেণুধৰ শৰ্মাই অসম সাহিত্য সভাৰ কিমান চনত আৰু ক'ত অনুষ্ঠিত সভাত সভাপতিৰ আসন অলংকৃত কৰিছিল?

(ঙ) এড্‌গাৰ এলেন পোৱে আগবঢ়োৱা চুটিগল্পৰ সংজ্ঞাটি লিখা।

৩। চমুকৈ উত্তৰ দিয়া ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) আধুনিক কবিতাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।



(খ) 'পথাৰ' কবিতাৰ মাজত মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ কিদৰে লক্ষ্য কৰা যায়, আলোচনা কৰা।

(গ) অসমীয়া চুটিগল্পৰ বিকাশত ৰামধেনু আলোচনীৰ ভূমিকা সম্বন্ধে *এটি* টোকা যুগুত কৰা।

(ঘ) 'লভিতা' নাটকৰ মূল নাৰী চৰিত্ৰটি আলোচনা কৰা।

(ঙ) বনঘোষাৰ সৈতে প্ৰকৃতিৰ সম্পৰ্ক কেনেকুৱা আলোচনা কৰা।

(চ) ভবেন্দ্ৰনাথ শইকীয়াৰ 'বাণপ্ৰস্থ' গল্পটিত দাৰিদ্ৰ্য-পীড়িত জীৱনৰ চিত্ৰ কিদৰে পৰিস্ফুট হৈছে লিখা।

৪। উত্তৰ লিখা ঃ *(যিকোনো চাৰিটা)* ১০×৪=৪০

(ক) লোকসাহিত্য কাক বোলে? ইয়াৰ বৈশিষ্ট্য কি কি? ইয়াৰ বিভাগসমূহ উল্লেখ কৰি 'বনঘোষা-বনৰীয়া গীত'ৰ বিষয়ে *এটি* আলোচনা আগবঢ়োৱা।

(খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাহিত্য-কৃতি সম্বন্ধে *এটি* আলোচনা যুগুত কৰা।

(গ) অৰূপা পটঙ্গীয়া কলিতাৰ গল্পৰ বৈশিষ্ট্যসমূহ 'দেওপাহাৰৰ ভগ্নস্তূপ' গল্পটিৰ আধাৰত আলোচনা কৰা।

(ঘ) নিৰ্মলপ্ৰভা বৰদলৈৰ 'মৰ্মান্তিক' কবিতাৰ কাব্যিক সৌন্দৰ্য উদাহৰণসহ বিশ্লেষণ কৰা।

(ঙ) বেণুধৰ শৰ্মাৰ গদ্যৰীতি সম্বন্ধে *এটি* বিশ্লেষণাত্মক প্ৰবন্ধ যুগুত কৰা।

(চ) 'বীনা কুটীৰ' নামৰ গল্পৰ চৰিত্ৰসমূহৰ মানসিক জগতখনৰ চিত্ৰ গল্পকাৰে কিদৰে চিত্ৰিত কৰিছে আলোচনা কৰা।

(ছ) 'লভিতা' নাটকৰ আধাৰত সেই সময়ৰ অসমৰ ৰাজনৈতিক আৰু সামাজিক অৱস্থাৰ বিষয়ে *এটি* আলোচনা যুগুত কৰা।

(জ) স্বাধীনোত্তৰ কালৰ অসমীয়া চুটিগল্প-বিষয়ক *এখনি* ৰচনা লিখা।

---